**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সমূহীয়া সংকল্পক প্ৰতিফলিত কৰি গ্ৰহণ কৰা অপাৰেচন সিন্দূৰৰ বিষয়ে জনোৱাৰ উদ্দেশ্যে সাতটা সৰ্বদলীয় প্ৰতিনিধি ঘাই ঘাই ৰাষ্ট্ৰসমূহ ভ্ৰমণ কৰিব।

২। বিদেশ বাণিজ্য সঞ্চালকালয়ে বাংলাদেশৰ পৰা ভাৰতলৈ একাংশ সামগ্ৰীৰ আমদানিৰ ক্ষেত্ৰত ততালিকে কাৰ্যকৰি হোৱাকৈ নতুনকৈ নিষেধাজ্ঞা আৰোপ কৰাৰ কথা ঘোষণা কৰিছে।

৩। ইজৰাইল আৰু হামাছে গাজাত চলি থকা যুদ্ধৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে আলোচনা পুনৰ আৰম্ভ কৰিছে।

৪। ভাৰত আজি অৰুণাচল প্ৰদেশত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধ ছাফ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৫। যোৱাবাৰৰ চেম্পিয়নছ কলকাতা নাইটৰাইডাৰ্ছ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এইবাৰৰ সংস্কৰণৰ পৰা বাহিৰ হৈছে।

ooooo

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সমূহীয়া সংকল্পক প্ৰতিফলিত কৰি গ্ৰহণ কৰা অপাৰেচন সিন্দূৰৰ বিষয়ে জনোৱাৰ উদ্দেশ্যে সাতটা সৰ্বদলীয় প্ৰতিনিধি ঘাই ঘাই ৰাষ্ট্ৰসমূহ ভ্ৰমণ কৰিব। সৰ্বদলীয় প্ৰতিনিধিদলত অন্তৰ্ভুক্ত সাংসদসকলৰ বিষয়ে সদৰী কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাই নেতৃত্ব দিবলগীয়া প্ৰথম দলটোৱে চৌডিআৰব, বাহৰেন, কুৱেট আৰু আলজেৰিয়া ভ্ৰমণ কৰিব। এই প্ৰতিনিধি দলটোত বিজেপিৰ সাংসদ নিশিকান্ত ডুবে আৰু এ আই এম আই এমৰ সাংসদ আছাদুদ্দিন ওৱেইছিকো অন্তৰ্ভুক্ত কৰা হৈছে। বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদে নেতৃত্ব দিবলগীয়া দ্বিতীয়টো দলে ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয় সংঘ, ইটালী আৰু ডেনমাৰ্ক ভ্ৰমণ কৰিব। জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাৰ নেতৃত্বত তৃতীয়টো দলে ইণ্ডোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব। এই দলটোত তৃণমূল কংগ্ৰেছৰ ইউছুফ পাঠান আৰু চি পি আই এমৰ জন ব্ৰিটাছক অন্তৰ্ভুক্ত কৰা হৈছে। শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দে নেতৃত্বাধীন চতুৰ্থটো দলে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ই, লাইবেৰিয়া, কংগো আৰু ছিয়েৰা লিঅ'ন ভ্ৰমণ কৰিব। এই দলটোত বিজেপিৰ বান্সুৰী স্বৰাজ আৰু বিজেডিৰ সস্মিত পাত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বত পঞ্চমটো দলে আমেৰিকা যুক্তৰাষ্ট্ৰ, পানামা, গায়ানা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। ডি এম কেৰ সাংসদ কাণিমড়ি করুনানিধিৰ নেতৃত্বত ষষ্ঠটো দলে স্পেইন, গ্ৰীচ, শ্লোভেনিয়া, লাটভিয়া আৰু ৰাছিয়া ভ্ৰমণ কৰিব। এন চি পিৰ সৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া সুলে নেতৃত্বাধীন সপ্তমটো গোট ইজিপ্ত, কাটাৰ,

ইথিঅ'পিয়া আৰু দক্ষিণ আফ্ৰিকালৈ যাব। বিজেপিৰ ৰাজীৱ প্ৰতাপ ৰুডী আৰু অনুৰাগ সিং ঠাকুৰৰ লগতে কংগ্ৰেছ সাংসদ মনিষ তীৱাৰিকো এই গোটটোত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

বিদেশ বাণিজ্য সঞ্চালকালয়ে বাংলাদেশৰ পৰা ভাৰতলৈ একাংশ সামগ্ৰীৰ আমদানিৰ ক্ষেত্ৰত ততালিকে কাৰ্যকৰি হোৱাকৈ নতুনকৈ নিষেধাজ্ঞা আৰোপ কৰাৰ কথা ঘোষণা কৰিছে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এখন অধিসূচনা যোগে বাংলাদেশৰ পৰা ভাৰত হৈ নেপাল আৰু ভূটানলৈ প্ৰেৰণ কৰা সামগ্ৰীৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব বুলি স্পষ্ট কৰি দিছে। নতুন নিষেধাজ্ঞা অনুসৰি বাংলাদেশৰ পৰা কোনো ধৰণৰ ৰেডিমেড বস্ত্ৰৰ আমদানিত ভাৰতীয় ভূ-বন্দৰৰ মাধ্যমেৰে কৰিব পৰা নাযাব। অৱশ্যে ন্হাৱা শ্বেৱা আৰু কলকাতাৰ সামুদ্ৰিক বন্দৰেৰে এই সামগ্ৰীসমূহ আমদানি কৰিব পৰা যাব।

ইয়াৰ উপৰি ফলমূল, ফলৰ সোৱাদযুক্ত আৰু কাৰ্বনিক এচিডৰ লৱনযুক্ত পানীয়, প্ৰসংস্কৰিত খাদ্য-সামগ্ৰী, কঁপাহ আৰু কঁপাহী সূতাৰ অৱশিষ্ট, প্লাষ্টিক আৰু পি ভি চিৰে নিৰ্মাণ কৰা সামগ্ৰী আৰু কাঠৰ আচবাবৰ আমদানীৰ ক্ষেত্ৰতো নিষেধাজ্ঞা প্ৰযোজ্য হ'ব। এই সামগ্ৰীসমূহ অসম, মেঘালয়, ত্ৰিপুৰা, মিজোৰামৰ যিকোনো ভূ-সীমা শুল্ক কেন্দ্ৰ অথবা সংহত পহৰা চকীৰ লগতে পশ্চিম বংগৰ সংগৰ বান্ধ আৰু ফুলবাৰী পহৰা চকী হৈ আমদানিৰ অনুমতি প্ৰদান কৰা হ'ব। বাংলাদেশৰ পৰা মাছ, খোৱাতেল, ৰন্ধনগেছ আৰু শিলৰ আমদানিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০০০

ইজৰাইল আৰু হামাছে গাজাত চলি থকা যুদ্ধৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে আলোচনা পুনৰ আৰম্ভ কৰিছে। কাটাৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্যস্থতাত কালি দোহাত এই আলোচনা আৰম্ভ হয়। এই আলোচনাৰ কথা নিশ্চিত কৰি হামাছৰ এগৰাকী বিষয়া মেহমুদ মৰ্দাৱিয়ে কয়, যে আলোচনাত যুদ্ধ বিৰতি নিশ্চিত আৰু পণবন্দী চুক্তি চূড়ান্ত কৰাত গুৰুত্ব আৰোপ কৰা হ'ব। হামাছে ৬০ দিনীয়া যুদ্ধ বিৰতি আৰু পেলেষ্টাইনী কয়দীৰ মুক্তিৰ বিনিময়ত ৯ গৰাকী পণবন্দীক মুকলি কৰি দিবলৈ সন্মতি প্ৰকাশ কৰিছে। ইজৰাইলে এই প্ৰস্তাৱ সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই যদিও আলোচনাৰ পূৰ্বে কালি কাটাৰত কয়, যে দেশখনে গাজাৰ পৰা সৈন্য প্ৰত্যাহাৰ নকৰে আৰু যুদ্ধ অৱসানৰ প্ৰতিশ্ৰুতি প্ৰদান নকৰে।

অৱশ্যে ইজৰাইৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কেইট্জে আলোচনা আৰম্ভ হোৱাৰ কথা স্বীকাৰ কৰিছে। তেওঁ কয়, যে হামাছে প্ৰথমে আলোচনা কৰিবলৈ অস্বীকাৰ কৰিছিল যদিও ইজৰাইলৰ গীদোন্স ছেৰিয়েট অভিযান আৰম্ভ হোৱাৰ পাছত দেশখনৰ স্থিতি সলনি হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে সংঘৰ্ষৰ সম্প্ৰসাৰণ আৰু হামাছক উৎখাত কৰাৰ বাবে আৰম্ভ কৰা ইজৰাইলৰ সামৰিক অভিযান এই উদ্দেশ্য সফল নোহোৱালৈকে অব্যাহত থাকিব। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে অসামৰিক লোকৰ স্থানান্তৰলৈ উদ্বেগ প্ৰকাশ কৰিছে আৰু গাজাৰ বাহিৰলৈ বলপূৰ্বক স্থানান্তৰনৰ বিৰোধিতা কৰিছে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি পুৱা ৫ বাজি ৫৯ মিনিটত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা পি এছ এন ভি চি 61 ৰকেটৰ সহায়ত উৎক্ষেপণ কৰা ই অ' এছ 9 নামৰ পৃথিৱী নিৰীক্ষণ কৃত্ৰিম উপগ্ৰহটোত উৎক্ষেপণৰ তৃতীয় পৰ্যায়ত কাৰিকৰী বিজুতী দেখা দিছে। ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে এই কাৰিকৰী সমস্যাৰ কাৰণত বিশ্লেষণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০

০০০০০

মণিপুৰ আৰক্ষীয়ে কুকী ছাত্ৰ সংগঠন কে এছ অ'ৰ দিল্লীৰ অধ্যক্ষ পাঅ' জাখুপ গুইটেৰ বিৰুদ্ধে সামাজিক মাধ্যমত প্ৰচাৰিত এটা ভিডিঅ'ৰ সংক্ৰান্তত গোচৰ ৰুজু কৰিছে। ভিডিঅ'টোত গুইটেই এখন জনসভাত ভাষণ দি কুকী বসতিপ্ৰধান অঞ্চলত মেইটেই সম্প্ৰদায়ৰ আহ-যাহত নিষেধাজ্ঞা আৰোপ কৰিবলৈ আহ্বান জনাইছিল। মেইটেই সম্প্ৰদায়ৰ লোক সকলে উখৰুল জিলালৈ ৰাজ্যিক শ্বিৰুই উৎসৱ উপলক্ষে যোৱাৰ পৰিকল্পনা কৰাৰ সময়তে এই ভিডিঅ'টোই চৰ্চা লাভ কৰিছে। চুৰাচান্দপুৰ থানাত এই সংক্ৰান্তত এটা গোচৰ ৰুজু কৰা হৈছে।

০০০০০

ভাৰত আজি অৰুণাচল প্ৰদেশৰ গল্ডেন জুবলী ষ্টেডিয়ামত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধ ছাফ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। গ্ৰুপ পৰ্যায়ত শ্ৰীলংকাক ৮-০, নেপালক ৪-০ আৰু শুকুৰবাৰে চেমিফাইনেলত মালদ্বীপক ৩-০ গলত পৰাস্ত কৰা ভাৰতীয় দল যথেষ্ট ভাল ফৰ্মত আছে।

বাংলাদেশে বৃহস্পতিবাৰে অনুষ্ঠিত প্ৰথমখন চেমিফাইনেলত নেপালক ২-১ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এম চিন্নাস্বামী ষ্টেডিয়ামত ৰয়েল ছেলঞ্জাৰ্ছ বেংগালুৰু আৰু কলকাতা নাইটৰাইদাৰ্ছৰ মাজত হ'বলগীয়া খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাত যোৱাবাৰৰ চেম্পিয়নছ কলকাতা প্ৰতিযোগিতাৰ এইবাৰৰ সংস্কৰণৰ পৰা বাহিৰ হয়।

খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাৰ পাছত ৰয়েল ছেলঞ্জাৰ্ছ বেংগালুৰুৱে ১২ খন খেলৰ পৰা ১৭ পইণ্ট অৰ্জন কৰে আৰু প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হয়। গুজৰাট টাইটানছে ১১ খন খেলৰ পৰা ১৬ পইণ্ট লাভ কৰি দ্বিতীয়, পাঞ্জাব কিংছে ১১ খন খেলৰ পৰা ১৫ পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। অৱশ্যে গুজৰাট আৰু পাঞ্জাব দলে এখনকৈ খেল খেলিবলৈ বাকী আছে। কলকাতা নাইটৰাইডাৰ্ছে ১৩ খন খেলৰ পৰা ১২ পইণ্ট লাভ কৰিছে আৰু দলটো প্লে অফৰ দৌৰৰ পৰা বাহিৰ হৈছে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহী কেপিটেলছ গুজৰাট টাইটানছৰ সন্মুখীন হ'।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত পুনৰ ৩ লাখ ৭৬ হাজাৰ বাসগৃহত অনুমোদন জনাইছে। কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন...য়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষে১৪ত প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে অসমৰ কৃষিভূমি পৰীক্ষাৰ বাবে কৃষি বিজ্ঞানীৰ ৫৬ টা দল গঠন কৰিব। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে লখিমী মিস্ত্ৰী আঁচনিৰ লগতে ২১ টা কৃষিজ্ঞানকেন্দ্ৰ শুভাৰম্ভ কৰে।

০০০০০

সমাপ্ত